# প্রবন্ধ মঞ্জুষা



# অসমৰ গৌৰৱ ৰেচম শিল্প

মানুহৰ ভাৱৰ সৃষ্টিশীল অভিব্যক্তিয়েই হ'ল শিল্প। শিল্পসমূহৰ ভিতৰত লোকশিল্প অতি প্ৰাচীন। লোকশিল্পসমূহৰ ভিতৰত ৰেচমশিল্প বিশেষভাৱে উল্লেখযোগ্য। অসমৰ গৌৰৱ, বিশ্ববিখ্যাত মুগা শিল্প কেৱল এক পৰম্পৰাগত বস্ত্ৰ শিল্পই নহয়, ই অসমৰ অৰ্থনীতি আৰু সংস্কৃতিত গভীৰভাৱে শিপাই থকা এক সোণোৱালী ঐতিহ্য। অসমৰ অতি প্ৰাচীন শিল্প অবিধ হৈছে মুগা। অসমত যোৱা তিনিদশক মানৰ আগলৈকে ব্যাপকভাৱে মুগাশিল্প চৰ্চা কৰি থকা পৰিলক্ষিত হৈছিল যদিও বৰ্তমান সময় ইয়াৰ চৰ্চা কমি অহা দেখা গৈছে। অসমত পোৱা প্ৰাতিবিধ পলুৰে নিৰ্বাচিত বৃক্ষৰ পাত খাই পিছত হৈ মুখৰ লেলাউটিৰে বাহ সাজে। তেনে বাহৰ পৰা মানুহে নিৰ্দিষ্ট কৌশল প্ৰয়োগ কৰি মুগা সূতা প্ৰস্তুত কৰি সেই সূতাৰে যি উলিওৱা কাপোৰক কোৱা হয় মুগা কাপোৰ। মুগাশিল্পিৰ লগত লোক বিশ্বাস, লোকাচাৰ আৰু লোক অভ্যাস জড়িত হৈ আছে। এই মুগা উৎপাদন অসমৰ উপৰিও মেঘালয়ৰ গাৰো পাহাৰত বাস কৰা লোকসকলেও কৰে।

অসমত প্ৰাচীন কালৰ পৰাই তিনি প্ৰকাৰৰ কোষজ বা ৰেচম বস্ত্ৰ নিৰ্মাণ আৰু ব্যৱহাৰৰ কথা উল্লেখ কৰি হৈছে। এৰী, পাট আৰু মুগাৰ পৰা নিৰ্মাণ কৰা বস্ত্ৰই ইতিহাসত শ্ৰেষ্ঠত্ব দাবী কৰি আহিছে। বৰ্তমান নতুন নতুন কৌশলেৰে নিৰ্মিত এনে বস্ত্ৰৰ ব্যৱহাৰ আৰু সমাদৰ দিনক দিনে বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে।

অসম চৰকাৰৰ সংগ্ৰহালয় সঞ্চালকালয়ৰ পৃষ্ঠপোষকতাত আৰু ৰাজ্যিক সংগ্ৰহালয় গুৱাহাটীত অসমৰ সোণালী সূতা চকুৰামানাৰ গৌৰৱৰ বিষয়ে প্ৰদৰ্শনী অনুষ্ঠিত কৰা হৈছিল। অসমৰ ঐতিহ্যমণ্ডিত মুগা ৰেচম বা মুগা শিল্পই ২০০৭ চনত ভৌগোলিক স্বীকৃতি বা GI Tag

(Geographical Indication) লাভ কৰিছিল। ৰেচম অসমৰ প্ৰাকৃতিক ৰং সোণালী আৰু অন্যান্য গুণমানৰ বাবে ইয়াক এই স্বীকৃতি প্ৰদান কৰা হৈছিল। এই GI Tag ৰ ভৱিষ্যতে মুগা সূতা আৰু ইয়াৰ পৰা তৈয়াৰী পোচাকৰ গুণগত মান আৰু প্ৰতিলিপিৰ বিষয়ে নিশ্চিতভাৱে পোৱা যায়। এনে এবিধ মূল্যবান সম্পদক ভৱিষ্যতৰ বাবে সংৰক্ষণ কৰি ৰখাটো প্ৰত্যেক নাগৰিক ব্যক্তিৰে মূল দায়িত্ব। বৰ্তমান নতুন নতুন কৌশলেৰে নিৰ্মিত এনে বস্তুৰ ব্যৱহাৰ আৰু চাহিদাৰ দিনক দিনে বৃদ্ধি পাই আহিছে।

গুলাইনা কোঁৱৰ
ষষ্ঠ ষাণ্মাসিক

# অসমৰ উৎসৱ পাৰ্বণত ৰেচমৰ ভূমিকা

অসমীয়া সমাজ জীৱনত আৰু সংস্কৃতিৰ এটা অবিচ্ছেদ্য অংগ হৈছে ৰেচম বা পাট-মুগা শিল্প। অসমৰ সংস্কৃতি, ঐতিহ্য আৰু আত্মমৰ্যাদাৰ ই হৈছে এক জীৱন্ত প্ৰতীক। বিশেষকৈ অসমৰ বাৰেৰহণীয়া উৎসৱ-পাৰ্বন আৰু মাংগলিক অনুষ্ঠানসমূহ ৰেচমৰ ব্যৱহাৰৰ অবিহনে আধৰুৱা। অসমক ভাৰতৰ "ৰেচমৰ দেশ" বুলিও কোৱা হয়, কাৰণ ইয়াত উৎপাদিত মুগা, পাট আৰু এৰী ৰেচম বিশ্বৰ বিখ্যাত। অসমৰ উৎসৱ-পাৰ্বণতো ৰেচমৰ স্থান অন্যতম। ব'হাগ বিহু, মাঘ বিহু, কাতি বিহু, বিয়া-বাৰু, নাম-প্ৰসংগত আদি সকলো অনুষ্ঠানতে ৰেচমী বস্ত্ৰই মানুহৰ শোভা আৰু গৌৰৱ বৃদ্ধি কৰে।

অসমত প্ৰধানকৈ তিনি প্ৰকাৰৰ ৰেচম যেনে, মুগা, পাট আৰু এৰী পোৱা যায়। এই ৰেচম তিনিবিধৰ দীপ্তি বিশ্বপ্ৰসিদ্ধ বুলি জনা যায়। বিহুৰ সময়ছোৱাত অসমৰ গাঁৱৰ পৰা চহৰলৈকে সকলো ঠাইতেই ৰঙীণ ৰেচমীৰ মেখেলা-চাদৰ, গামোচা আৰু চেলেং চাদৰেৰে মানুহে জিলিকাই ৰাখে। ৰেচমে তিনিওটা বিহুৰ সময়ত হোৱা উৎসৱৰ সৌন্দৰ্য আৰু গাম্ভীৰ্য বৃদ্ধি কৰে। বিয়াৰ অনুষ্ঠান কইনা গৰাকীয়ে পৰিধান কৰা মুগা বা পাটৰ পৰা আৰম্ভ কৰি ধৰ্মীয় অনুষ্ঠান, নাম-প্ৰসংগ বা পূজা-পাঠলৈ ৰেচমৰ ব্যৱহাৰ অধিক দেখা যায়। এইদৰে ৰেচমে দেহ আৱৰণ কৰাৰ লগতে আধ্যাত্মিক অনুভৱকো গভীৰ কৰি তোলে।

অসমৰ বহু গাঁওত ৰেচম পালন আৰু বয়ন হৈছে এক প্ৰধান জীৱিকা। মহিলা সকলে তাঁতত মেখেলা-চাদৰ বোৱা প্ৰথাই সমাজত স্বনিৰ্ভৰতা আৰু সৃষ্টিশীলতাৰ এক সুন্দৰ নিদৰ্শন দেখুৱাইছে।

অসমৰ উৎসৱ-পাৰ্বণত ৰেচম কেৱল শোভা বা আৱৰণ নহয়; ই অসমৰ সংস্কৃতিৰ, ঐতিহ্যৰ, অৰ্থনীতি আৰু আত্মপৰিচয়ৰ অবিচ্ছেদ্য অংগ। ৰেচমী বস্ত্ৰৰ মাজেৰে অসমৰ জনজীৱনৰ আনন্দ, বিশ্বাস আৰু ঐতিহ্য প্ৰকাশ পাইছে। এই ঐতিহ্য সংৰক্ষণ কৰি ভৱিষ্যত প্ৰজন্মলৈ আগবঢ়াই নিয়াটো আমাৰ সকলোৰে প্ৰধান কৰ্তব্য।

টুম্পী গগৈ
ষষ্ঠ ষাণ্মাসিক

# পলু পোহাৰ পদ্ধতি

অতীজৰেপৰা অসমত বয়ন আৰু ৰেচম শিল্পই এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। যি যোৱে বৰ্তমান সময়তো অসমমনক ঐতিহ্য গৌৰৱময় কৰি থৈছে। খ্ৰীষ্টপূৰ্ব চতুৰ্থ শতিকাৰ পৰাই পুৰণি কামৰূপত ৰেচম পলু পোহা, সূতা কটা আৰু কাপোৰ বোৱা কাৰ্য প্ৰচলিত থকাৰ ঐতিহাসিক প্ৰমাণ পোৱা যায়। অসমৰ ৰেচম শিল্প বুলিলে মুগা, এৰী আৰু পাটৰ কথাই বুজা যায়। মুগাৰ পৰা মেখেলা, চাদৰ আৰু বিহাৰ উপৰিও কিংখাপ নামৰ এবিধ বিশেষ ধৰণৰ জকমকীয়া কাপোৰ তৈয়াৰ কৰা হৈছিল। সেয়েহে মুগাক 'বস্ত্ৰৰ ৰাণী' বুলি কোৱা হয়। মুগাৰ সূতা তৈয়াৰ কৰা পতংগবিধৰ নাম হ'ল (Antheraea assama) ৰেচম শিল্পত সূতা উৎপাদনৰ কেঁচা মাল হ'ল এই বিশেষ পতংগ বা সমবিধে প্ৰস্তুত কৰা লোলা। কণী, পলু, লেটা আৰু মথ- এই চাৰিটা স্তৰৰ মাজেদি মুগাৰ জীৱন চক্ৰটো সম্পূৰ্ণ হয়। মুগা পলুৱে প্ৰধানকৈ চোম আৰু সোৱালু গছৰ পাত খায়। সাধাৰণতে উজনি অসমত চোম আৰু নামনি অসমত সোৱালু গছত মুগা পোহা হয়। ইয়াৰ বাহিৰেও দীঘলতি, মেজাংকৰি, ভোমলতি, চাপা, আদাকৰি আদি বৃক্ষতো মুগা পালন কৰিব পাৰি। মেজাংকৰি পাতত পালন কৰা মুগা অতি সুন্দৰ উজ্জ্বল সোণোৱালী ৰঙৰ হয়।

মুগা মথ বৰ্ষবহুপ্ৰজী অৰ্থাৎ ইহঁতে বছৰেকত কেইবাবাৰো কণী পাৰে। মুগা মথে কণী পৰাৰ ৮-১২ দিনৰ ভিতৰত কণী ফুটি পোৱালি ওলায়। ৰাতিপুৱা কণী ফুটাৰ লগে লগে পলুবিলাক সাধাৰণতে চোম গছত লগাই দিয়া

হয়। পলুবিলাক গছৰ পাতলৈ নিজেই নিজেই গৈ পাত খাবলৈ আৰম্ভ কৰে। পলু দিয়াৰ আগতে ওৰিকে ধৰি গছজোপা ঢাকি কৰি লোৱা হয়। গছৰ পাত খাই শেষ হ'লে পলুবিলাক তললৈ নামি আহে। তেতিয়া তিনিকোণীয়া বাঁহৰ চালনীৰ সহায়ত পলুবিলাক পুনৰ গছত উঠাই দিয়া হয়। নতুবা গছত পাত নাথাকিলে অন্য গছত দিয়া হয়। পলু অৱস্থাত প্ৰায় ২৮–৩৫ দিন মান সময় থাকে। এই অৱস্থাত ইহঁতে চাৰিবাৰ খোল সলায়। পলুবিলাকৰ পাত খোৱা কাৰ্য শেষ হ'লে পলু পকা বুলি কোৱা হয়। এইখিনি সময়ত পকা পলুবিলাক গছৰ তললৈ নামি আহে আৰু সেই সময়ত পলুবিলাকক ধৰি শুকান আম পাতৰ জালিত দি ৰখা হয়। তাতে পিছত পলুৱে লেটা গঠন কৰে। সেইবোৰকে পিছত সূতা কটাৰ বাবে ব্যৱহাৰ কৰা হয়।

সেই সময়ত অসমৰ উপৰিও পলু উৎপাদন মেঘালয়ৰ গাৰো পাহাৰতো কৰা হৈছিল। পলু পালনৰ বাবে পৰিষ্কাৰ চাই-বাছনি কৰিব লাগে। পলু পালন আৰম্ভ কৰাৰ আগতেই ঘৰ-সৰ আৰু ঘৰৰ চৌহদ সমূহ ভালদৰে পৰিষ্কাৰ কৰি কীটনাশক দ্ৰব্য ব্যৱহাৰ কৰিব লাগে। উত্তম বীজত ব্যৱহাৰ কৰিব লাগে। যাৰ ফলত অধিক পলু উৎপাদন হয়। পলুসমূহৰ জাত অনুসৰি এক পলুক কোমল আৰু সতেজ পাত দিব লাগে। নিয়মিত ভাৱে পলু সমূহ যত্ন ল'ব লাগে আৰু মল-মূত্ৰসমূহ, শুকান পাত আৰু আৱৰ্জনা আঁতৰাই পলুসমূহ সুৰক্ষা কৰাৰ লগতেই ইন্দুৰ, পিঁপৰা, টিকটিকি চৰাই আদিৰ শত্ৰুসমূহৰ পৰাও সুৰক্ষা দিব লাগে। পলু পালন অসমৰ সংস্কৃতি আৰু অৰ্থনীতিৰ এক মূল্যবান অংশ। কম মূলধনত আৰম্ভ কৰিব পৰা এই উদ্যোগে বহু লোকক কৰ্মসংস্থান দিয়ে। বিজ্ঞানসন্মত পদ্ধতিত পলু পালন কৰিলে অধিক উৎপাদন আৰু অধিক লাভ কৰিব পাৰি। সেয়েহে পলু পালন গ্ৰাম্য অৰ্থনীতি উন্নয়নৰ এক শক্তিশালী মাধ্যম।

ৰেচম শিল্পৰ ভিতৰত এৰীক আটাইতকৈ পুৰণি শিল্প বুলি জনা যায়। অসমৰ পাহাৰ-ভৈয়ামৰ পুৰণি কালৰেই পৰাই এৰী পলু পালন কৰি সূতা কাটি তাৰে পৰা আটকধুনীয়া এৰী চাদৰ বৈ লোৱা পৰম্পৰাও আগৰেই পৰা চলি আহিছে।

এৰী পোহা অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ এক অতি প্ৰাচীন আৰু লাভজনক গৃহ-উদ্যোগ। এৰী পোহা মানে এৰী পলু পালন কৰি তাৰ পৰা সূতা উৎপাদন কৰা কাৰ্য্য। এৰী পলুৰ পৰা উৎপন্ন হোৱা হোৱা সূতাই "এৰী সুতা" বা "এৰী বোচম" নামেৰে জনাজাত। এই সূতা কোমল, উষ্ণ হোৱাৰ বাবে বস্ত্ৰ উদ্যোগত বহুলভাৱে ব্যৱহাৰ কৰা হয়। অসমৰ বহু পৰিয়ালৰ জীৱিকাৰ উৎস হৈছে এৰী পোহা।

এৰী পলুসমূহৰ মুখ্য খাদ্য হৈছে এৰা গছ, কেচেৰু আদি উদ্ভিদৰ পাত। ভাল পলু ব্যৱহাৰ কৰাৰ ফলত উৎপাদনো ভাল হয়। নতুনকৈ ওলোৱা পোৱালিক কোমল আৰু সৰু পাত খুৱাব লাগে আৰু পলু ডাঙৰ হোৱাৰ লগে লগে ডাঙৰ আৰু সতেজ পাত নিয়মিত ভাৱে দিব লাগে। পলু পূৰ্ণবয়স্ক হ'লে কোষ বান্ধিবলৈ আৰম্ভ কৰে। সেই উন্নত মানৰ কোষ সমূহ কাটি বা সিজাই তাৰ পৰা আঁহ উলিয়াই সূতা কটা হয়। এই সূতাৰ পৰাই বিভিন্ন বস্ত্ৰ প্ৰস্তুত কৰা হয়। এৰী পোহা অসমৰ এক লাভজনক আৰু ঐতিহ্যবাহী উদ্যোগ। সঠিক পদ্ধতি অনুসৰি পালন কৰিলে কম খৰচতে অধিক লাভ পোৱা যায়। সেয়েহে গ্ৰাম্য অৰ্থনীতি উন্নয়নত এৰী পোহাৰ গুৰুত্ব অত্যন্ত বেছি।

পাট সূতা 'বোম্বিক্স মোৰি' নামৰ পতংগবিধৰ পৰা উৎপাদন কৰা হয়। এৰীৰ দৰে পাট পলুও সম্পূৰ্ণভাৱে ঘৰৰ ভিতৰত পালন কৰা হয়। পাট পলু অসমৰ এক অধিক মূল্যবান আৰু ঐতিহ্য বাহী বোচম কীট। পাট পলুৰ পৰা উৎকৃষ্ট মানৰ সুতা আৰু পাট বোচম উৎপাদন কৰা হয়। অসমৰ গ্ৰাম্য অৰ্থনীতি, কুটিৰ শিল্প আৰু স্বনিয়োজিত ব্যৱস্থাত পাট পলুৰ পোহাৰ বিশেষ গুৰুত্ব আছে। সঠিক নিয়ম অনুসৰি পাট পলু পোহিলে উন্নত গুটি, অধিক সূতা আৰু ভাল আয় লাভ কৰিব পাৰি। এই পাট পলুৰ মুখ্য খাদ্য হৈছে - সোম, সোৱালু, দিঘলটী, মেজাংকৰী আদি গছৰ পাত।

পাট পলু পোহা অসমৰ এক লাভজনক আৰু গৌৰৱময় কুটিৰ উদ্যোগ। বৈজ্ঞানিক পদ্ধতিত পাট পলু পোহিলে অধিক উৎপাদন, উন্নত গুণমানৰ বোচম আৰু আৰ্থিক উন্নতি লাভ কৰিব পাৰি। গ্ৰামাঞ্চলৰ বহু লোকৰ জীৱিকাৰ উৎস হিচাপে পাট পলু পোহাৰ বিশেষ স্থান আছে। সেয়েহে পাট পলু পোহাৰ উন্নত পদ্ধতি গ্ৰহণ কৰি এই শিল্পক আগবঢ়াই নিয়া উচিত।

অংকীতা শইকীয়া
দ্বিতীয় ষান্মাষিক

# গল্প



# সোণৰ নাও

কাঁচিজোলা গাঁৱত প্ৰদীপ নামৰ মানুহ এজনে বাস কৰিছিল। সি সৰুৰেই পৰা সৎ আৰু সহজ সৰল হোৱাৰ বাবে গাঁৱৰ প্ৰায়বিলাক মানুহে তাক ভাল পাইছিল। সি তাৰ ঘৈণীয়েক আৰু দুটা যমজ সন্তানৰ সৈতে এটা সুন্দৰ জীৱন-যাপন কৰিছিল। তাৰ ঘৰৰ অৱস্থাটো বৰ এটা ঠিক নাছিল বাবে গাঁৱৰ গাঁওবুঢ়া জনৰ ঘৰতেই সি হালুৱা হিচাপে কাম কৰি পৰিয়ালটোক পোহ-পাল দি আছিল। তাহাঁতৰ ঘৰ মনত অভাৱ আছিল যদিও পৰিয়াল-টোৰ মাজত কোনো দিনাই হাই-কাজিয়া হোৱা নাছিল। সি পৰিয়ালটোক দুবেলা-দুমুঠি খোৱাই হ'লেও সুখেৰে ৰাখিছিল।

প্ৰদীপে যদিও গাঁওবুঢ়াৰ ঘৰত কাম কৰিছিল কিন্তু তাৰ ঘৰৰ পৰা গাঁওবুঢ়াৰ ঘৰলৈ প্ৰায় চাৰি কিলোমিটাৰ মান দূৰ বাট আছিল। তাৰ আৰু গাঁও-বুঢ়া ঘৰৰ বাটৰ মাজ ভাগতেই এটা বৰ নামঘৰ আছিল আৰু নামঘৰৰ কাষতেই পুৰণি ৰজাঘৰীয়া দিনৰ এটা বৰ-পুখুৰী আছিল। পুখুৰীটোৰ পাৰত থকা আম, কঠাল, জামুকৰ দৰে ডাঙৰ ডাঙৰ গছবোৰে আৰু সৰু সৰু বন-লতাবোৰে পুখুৰীটোৰ পাৰ মিলি শুৱনি কৰি তুলিছিল। পুখুৰীটো বহুতো ফুল যেনে ভেট, পদুম আদিৰ লগতে বিভিন্ন ধৰণৰ মাছ আৰু কাছৰে ভৰি আছিল।

বজোৰাৰীয়া দিনৰ যোৰাৰ বাবে পুখুৰীটোত মাছ-কাছ ধৰিবলৈ কোনেও সাহস কৰা নাছিল। পুখুৰীটো দিনত ডাঙৰ যিমান শুৱনি আছিল ৰাতিত কিন্তু সিমানেই গভীৰ আৰু ভয়ংকৰ পৰিবেশ আছিল। আজিও আন দিনাৰ দৰে পাঁচুলাৰ ঘৰৰ পৰা কাম কৰি অহাৰ দৰে সেই দিনাও সি তেনেদৰেই আহিছিল। কিন্তু সি সেই দিনা ঘৰলৈ আহোঁতে তাৰ অলপ পলম হোৱাত সি সৰ-মেদাকৈ ঘৰলৈ আহিছিল। তাতেই আকৌ জোঁৱৰ দিন। পোহৰে আহি আকাশত বাৰে বাৰে তাৰ বাটত কুঁৱলীয়ে আৱৰি ধৰিছিল। সি তেনেদৰে সৰ-মেদা কৰি আহি আহোঁতেই নামঘৰৰ ওচৰ পালেহি। সি নামঘৰৰ পৰা হঠাৎ কিবা এটা শব্দ শুনা যেন পোৱাত সেই ফালে চকু ফুৰাই দেখে যে নামঘৰৰ কাষৰ খননি পুখুৰীটোত কিবা এটা পোহৰ আছে। কুঁৱলীয়ে বাট ভেটি ধৰি ৰাখিছিল বাবে দূৰৰ পৰা একো মানিব নোৱাৰি সি পুখুৰীটো কাষ চাপি গ'ল। চাই সি দেখিলে যে, পুখুৰীটোৰ মাজৰ পানীখিনিৰ ওপৰত এখন সৰু সোণৰ নাওঁ এখন পোহৰ আছে। সি চকু মোহাৰি মোহাৰি পুনৰ নাওঁখনৰ ফালে চাই দেখিলে যে এইখন সঁচাকৈ সোণৰ নাওঁ। প্ৰথম প্ৰথমে নাওঁখনলৈ তাৰ মনত একো লোভ হোৱা নাছিল কিন্তু লাহে লাহে তাৰ নাওঁখনলৈ আকৰ্ষিত হ'বলৈ ধৰিলে। আৰু তাৰ মনত নাওঁখনৰ প্ৰতি লোভৰ জন্ম হৈছিল। সি নাওঁখন আনিবলৈ লওঁতেই পাছফালৰ পৰা তাক তাৰ ঘৈণীয়েকে মাত লগালে— "হেৰি শুনিছেনে"।

হঠাতে সি ঘৈণীয়েকৰ মাতটো শুনি থমকি ৰৈ গ'ল।

ধোপীয়েকে স্নেহেৰে থট-বট মোৰা প্ৰদীপক দেখি ওচৰলৈ গৈ আকৌ একাৰ মাত লগাই সুধিলে। "হেৰি আপুনি-হঁতে ইমান পৰলৈকে ইয়াত কি কৰি আছে।" ধোপীয়েকে স্নেহেৰে সুধাত প্ৰদীপে তাইৰ কথা আওকাণ কৰি- "তুমি ইয়াত কেনেকৈ" বুলি প্ৰদীপে ওলোটাই তাইক হে প্ৰশ্ন কৰিলে। প্ৰদীপৰ প্ৰশ্নটো শুনি প্ৰদীপৰ ধোপীয়েকে ক'লে- আপুনি আজি ইমান দেৰিলৈকে ঘৰলৈ নহাত মোৰ বৰ চিন্তা হৈছিল কাৰণে আপোনাক বিচাৰি মই শাঁতবুঢ়া দাইটি ঘৰ পালোঁগৈ। দাইটিৰ ঘৰ পাই গম পালো যে আপুনি বেগতিয়াকৈ ঘৰলৈ আহিলে। তেনেকৈ কোৱাত লৰা-লৰিকৈ মইও ঘৰলৈ আঁহোতে আপোনাক ইয়াতে দেখি মাত লগালো। প্ৰদীপে ধোপীয়েকৰ কথাখিনি শুনি এটা মিচিকিয়া-হাঁহি মাৰি "বলা আমি ঘৰলৈ যাওঁ" বুলি কৈ ধোপীয়েকক হাতত ধৰি ঘৰলৈ আহিল। ঘৰত আহিল যদিও বাৰে বাৰে তাৰ মনত নাঁতমনৰ কথাকে আহি আছিল। সেই নাঁতমনৰ কথা ভাবি থকাৰ বাবে ভাত পানীও ভাল দৰে নাখাই বিচনাত পৰিলগৈ। বিচনাত পৰিল যদিও তাৰ টোপনি নাহিল ইকাটি সিকাটি কৰিয়েই সি ৰাতিটো পাৰ কৰিলে। পিছদিনা পুৱাই সি আগৰদৰে কাম কৰিবলৈ বুলি শাঁত বুঢ়া ঘৰ পালেগৈ। সেইদিনা সি নাঁতমনৰ কথা ভাবি থকাৰ বাবে কামটো ভালদৰে মন দিব পৰা নাছিল। সি সকলো কাম-বন কৰোঁ নকৰোঁকৈ সামৰি ঘৰলৈ আহিবলৈ ল'লে। ঘৰলৈ আহোঁতে আকৌতে সন্ধিয়াই লানি বাটত কুৰলীয়ে আৱৰি আছে। সি যাওঁতে সেই কেঁঠা এজন ডাঙৰি আকৌতে বৰ-পুখুৰীৰ ওচৰ পালেহি। হঠাৎ তাৰ বৰ-পুখুৰীৰ ফালে চকু ঘূৰাওঁতে দেখিলে যে পুখুৰীটোৰ পাৰত আকৌ নাঁতমন দেখি সি অইবাৰ অলপো দেৰি নকৰি যেনি বা পুখুৰী পাৰ পাই লৰা লৰি কৰি পুখুৰীত নামি নাঁতমন গাত লোৱা কেঁঠাৰ

সুমিধাহি ল'লে। পুখুৰীৰ পৰা মৰ-মেকুৰীটোক উঠি ঘৰলৈ গ'ল। ঘৰ পাই পুৰণা কাকত এটাত মনে-মনে নাওখন সুমিধাহি থ'লে। তাৰ এই কথাৰ বিষয়ে ঘৈণীয়েকে সৰুকৈ উমানেই নাপালে। নাওখন পাই তাৰ মনত বৰ আনন্দ লাগিল। মনতেই ভাবিলে যে সি আৰু গাঁওবুঢ়াৰ ঘৰত কাম কৰিব যাব নালাগে। সি এইবাৰ তাৰ নিজৰ ইচ্ছামতে থাকিব পাৰিব। এনেদৰে সি কামলৈ যাবলৈ বন্ধ কৰি দিলে। তেনেকৈ কাম কৰিব নোযোৱাৰ বাবে ঘৈণীয়েকৰ বৰ চিন্তা হ'ল। লাহে ঘৰত খেন খোৰ নাইকিয়া হৈ আহিছিল ঘৰ-মনত এবেলা খাবলৈ নোহোৱা হোৱাত তাৰ ঘৈণীয়েকে কামলৈ যাবলৈ ক'লে। সি ঘৈণীয়েকৰ কথা শুনি কালিৰ পৰা কামলৈ যাম বুলি ক'লে। সেইদিনা সি ভাত-পানী খাই বিচনাত পৰিল। বিচনাত পৰি টোপনি গৈ আকৌতে মাজ নিশা প্ৰদীপে এটা সপোন দেখিলে। সপোনত এটা ক'লা চাঁহাই আহি বিচনাত পৰিল আৰু তাৰ কাণত লাহে লাহে নাওখন আনৰ হাতত হৈ আহিব কৈ আছিল। সি পাচকৈ আৰু গাঁও কোনোৰ চাৰিওফালৰ নিজান অৱস্থাটো দেখি ক'লা মানুহটোৰ কথা ভাবি তাৰ মনত ভয় হ'বলৈ লাগিল আৰু সি ভয়তেই গাত লোৱা কাপোৰখনেৰে মূৰৰ পিনে ঢাকি শুবলৈ চেষ্টা কৰিলে। ৰাতি পুৱালে সি ৰাতি দেখা সপোনটোৰ কথা মোটে ভাবি থকা নাছিল। সি কামলৈ বুলি ওলাইতে ঘৈণীয়েকে আহি ক'লে - "থেৰি আপোনি আজি কামলৈ যাব নালাগে চাওঁ। বোপা এইবৰ পাটো আজি বৰ বেয়া।" ঘৈণীয়েকৰ কথা শুনি সি কামলৈ নো দিনটো ঘৰতেই থাকিল। দিন পাৰ হৈ গৈ থাকিল লৰা কেইটা অৱস্থাত লাহে লাহে বেয়া হৈ আহি থাকিল। আৰু লৰা কেইটা বিচনাৰ পৰা উঠিব নোৱাৰা হ'ল।

প্ৰত্যেক দিনাৰ দৰে সেই দিনাও গোটেই পৰিয়ালটোৱে ভাত-পানী খাইছিল। তাহাঁতো খুবেই ভোকো লাগিছিল আজি এই সাজ ভাত তাহাঁতৰ বাবে শেষৰ সাজ হ'ব। ভাত-পানী খাই সিহঁতে দিনটো কৰা কামৰ ভাগৰ অকাৰ বাবে সিহঁত দুয়োজনে বিচনাত পৰাৰ লগে লগেই টোপনি গ'ল। সেইদিনা ৰাতি বাৰে বাজে সি সেই ছায়াটোৱে আহি আৰু লৰা কেইটাও ছায়াটোৰ পাছত লৈ যোৱা সময়টো দেখি মৰ-মেদাই থৰ-বৰ খাই সাৰ পাই লৰা কেইটাক চাবলৈ গৈ দেখিলে যে লৰা কেইটা বিচনাখনত নাই। লৰা কেইটাক বিচনাত নেদেখি দুয়োটাই চিন্তাত পৰিল আৰু ঘৰৰ চাৰিওফালে লৰা কেইটাক বিচাৰিবলৈ ধৰিলে। চাৰিও ফালে বিচাৰি নোপোৱাত সিহঁতে চিঞৰ-বাখৰ কৰি-বলৈ ধৰিলে। সিহঁতৰ চিঞৰ শুনি গাঁৱৰ মানুহবোৰ সাৰ পাই তাহাঁতৰ ওচৰলৈ আহিল আৰু সুধিবলৈ ধৰিলে- "কি হ'ল অ. তহঁতৰ ইমান ৰাতি মন কিয় চিঞৰ-বাখৰ কৰিছ।" তেতিয়া প্ৰদীপে ক'লে- "ককাই হঁত আমাৰ লৰা কেইটা ইমান ৰাতিমান ক'ত গ'ল জানো বিচাৰি পোৱা নাই।" প্ৰদীপৰ কথা শুনি গাঁৱৰ মানুহবোৰেও অবাক হৈ চিন্তাত পৰিল ইমান ৰাতি মন লৰা কেইটা ক'ত যাব পাৰে। গাঁৱৰ মানুহবোৰেও লৰা কেইটাক বিচাৰিবলৈ ধৰিলে কিন্তু বিচাৰি নোপোৱাত প্ৰদীপ আৰু তাৰ ঘৈণীয়েকে হুনাই-বিনাই কান্দিবলৈ ধৰিলে। প্ৰদীপক তেনেতে গাঁৱৰ ওচৰৰ মানুহ এটাই নৰ পুখুৰীটোৰ কাষত দুটা লৰা পৰি আছে বুলি খবৰ দিয়াত সি লৰা লৰিকৈ পুখুৰীটোৰ ফালে দৌৰ মাৰিবলৈ ধৰিলে। তাৰ তেনেকৈ যোৱা দেখি গাঁৱৰ মানুহবোৰেও তাৰ পিছে পিছে যাবলৈ

ধাবিলে। সুমুৰী পাৰ পাই সি সুমুৰীটোলৈ লাগি যে
লৰা দুটাক টানি আনিবলৈ চেষ্টা কৰিলে। তাক
সহায় কৰিবলৈ পাছৰ চাৰি পাঁচজন মানুহে তাক
সহায় কৰি লৰা দুটাক পাৰলৈ টানি আনিলে। সি
লৰা দুটাক এনেকৈ দেখা পায় প্ৰদীপ মৰা মানুহৰ
দৰে হৈ পৰিল। সেই সময়তেই প্ৰদীপ ছোৱালীয়েকো
আহি পালেহি। লৰা কেইটাক এনেকৈ পৰি থকা দেখি
লগে লগে অচেতন হৈ পৰিল। পাছৰ মহিলা কেইজনী
মানে প্ৰদীপৰ ছোৱালীজনীক ধৰি আনি ঘৰ পোৱালেহি
আৰু মতা মানুহ কেইজন মানে লৰা কেইটাৰ মৰা
দেহ কেইটা শুকুৱাই থৈ ঘৰৰ সন্মুখত বৈ থাকিল।
লৰা কেইটাৰ মৰা দেহ কেইটা দেখি প্ৰদীপ আৰু
প্ৰদীপৰ ছোৱালীয়েকে বুকুত হাত দি আইহঁতক লৈ হনাই
বিনাই কান্দিবলৈ ধৰিলে। সি কোনো কোনো মনতেই
নিজকেই বাৰে বাৰে দুষী এজাই লৰা কেইটাৰ শৰীৰত
হস্ত বিচাৰিলে। পাছৰ সকলো মানুহে দেহ কেইটা
নি দাহ কৰা সকলো নিয়ম নীতি পালন কৰি
লৰা কেইটাক শেষ বিদায় দিলে। এনেদৰেই জীৱনটো
পাৰ হ'ল। জীৱনটোত সমস্ত কৰ্ম কৰি আত্মাৰ উদ্ধাৰ
হ'ল। সেই দিনাই সি মনতেই প্ৰতিজ্ঞা কৰিলে যে
তাৰ লৰা কেইটাক যে উভতাই আনিব নোৱাৰে কিন্তু
সি কৰা ভুল কামৰ সংশোধন কৰিব। সে যাতে
আৰু কোনোৱে পিছত মনে মনে কাঠৰ বাকচটোৰ
পৰা নাওখন লৈ ঘাট নষ্ট কৰে ছোৱালীয়েকে আৰু
সোণাৰ নাওখনৰ ঠাইতে দেখা পালে। ছোৱালীয়েকে
দেখি পোৱাৰ আগতে লৰা লাহেকৈ সি তাই শুকুৱাই
পৰা পাছে বৰ সুমুৰীটোৰ পাৰ পালেহি। আৰু

নাঁতিমন আনাৰ চিন্তিত হৈ ধৰলে বুলি উত্তৰিলে। ধাৰ টো লাই দেখিলে যে মালাই তাৰ কাৰণে ঘৰৰ অন্ধ্যগতেই বৈ আছে। ধোনীয়েকক দেখি সি বুজিব পাৰিলে যে অতিয়া সি যথেষ্ট প্ৰশ্নৰ সন্মুখীন হ'ব লাগিব। কিন্তু মালাই তাক একোৱেই প্ৰশ্ন নকৰি কেৱল "যি হব লগীয়া আছিলে হৈ গ'ল। অতিয়া জানো আপোনাক কিবা প্ৰশ্ন কৰি লাভ আছে। যি বুজিব আছিলে সকলো বুজিলো নাই। নাই জানো যে এবাৰ পাৰ হৈ যোৱা সময় আকৌ ঘূৰাই আনিব নোৱাৰি। কিন্তু মোৰ মনত এটাই দুখ থাকি যাব "আপোনাৰ এই ভুলৰ বাবে নাই মোৰ লৰা কেইটাক হেৰুৱালো।" এই বুলি কৈ তাই আকৌ কান্দিবলৈ ল'লে। তাইক কন্দা দেখি আজীবো নাইৰ কান্ধত হাত থৈ বাম আলপ সান্ত্বনা দি ভিতৰলৈ লৈ গ'ল।

শ্ৰীমতী নীলাক্ষী বৰুৱা
দ্বিতীয় ষাণ্মাষিক

মহৎ লোকৰ বাণী

- "আনে কি কৰিছে ভৱাতকৈ নিজে কি কৰিছো ভৱাহে বেছি দৰকাৰ।"

  —— ৰাজা ৰাম মোহন ৰায়

# কাব্য

# শ্ৰদ্ধাঞ্জলি

তিনিকোটি জনতাৰ
অশ্ৰু নিগৰাই
গ'লাগৈ অজান দেশলৈ
কিয় গ'লা তুমি
সাগৰৰ বক্ষত কৰি ধেমালি
কান্দিছে আজি অনুৰাগীয়ে
কান্দিছে তোমাৰ ফেন ক্লাবে
কোনে কাক দিব সান্ত্বনা
আজিৰ পৰা
তোমাৰ গীতত
নহয় যে সিহঁত উন্মনা

গীত গাই গ'লা
কঁপাই আকাশ বতাহ
শিশুৰ মুখত শুনো
নব প্ৰজন্মৰ মুখত শুনো
আবাল বৃদ্ধ বনিতাৰ
কণ্ঠতো তোমাৰ গীতৰ কলি

দুকুৰি ভাষাৰ অজস্ৰ গান
সেই সৃষ্টি
আজি ক্ষন্তেকতে ম্লান
বতাহত মিলিলে
অজেয় সেই জুবিন নাম
চিনি পায় তোমাক
অসমৰ গছ বিৰিখে
নদ - নদীয়ে
পাহাৰ ভৈয়ামে
লক্ষ লক্ষ অনুৰাগীয়ে

সঁচা অন্তৰৰ
সঁচা মৰমৰ
প্ৰতিফলিত কণ্ঠ নিগৰাই
সাঠিলা সৰ্ব সুৰী গীতৰ মালা

পলিটিক্‌চ নকৰিবা বন্ধু ..... ?
কুটিল ৰাজনীতিৰ
জটিল ধাঁৰণা
যাৰ পৰা নিলগত তুমি
মানৱ সেৱাঁ তোমাৰ ধৰ্ম
উপলব্ধ আজি বেদনাৰ মৰ্ম ।

দুকুৰি বাৰতে জীৱন নাওৰ
সামৰণি মাৰি
অগনন অনুৰাগীৰ
হৃদয় ভেদি
ল'লা মৃত্যুক সাৱটি

জনতাই দিলে বহু সন্মান
তোমাৰ গাতত
জাগে জনতাৰ প্ৰাণ
ৰভাহত বাজিব
হৃদয়ত বাজিব
চিৰদিন অসমে সুঁৱৰি থাকিব

চিৰশান্তিৰ কোলাত
আছা তুমি শুই
যাচিলোঁ শ্ৰদ্ধাঞ্জলি
দুচকুত বেদনাৰ জুই

— বিৰাজ গগৈ
দ্বিতীয় ষাণ্মাসিক

# পথাৰ

আঘোণৰ দোকমোকালি পুৱাতে
উকা উকা পথাৰবোৰে
বাৰে বাৰে খেতিয়কক
বিঙিয়াই মাতে ,
"আহা মোৰ ককাই
মোক তুমি শুৱনি কৰাহি
তোমাৰ নাঙলৰ
জীৱনু বিলায় ।"

তেতিয়া ,
পথাৰো সেউজীয়া হ'ব
ৰোৱনী আহিব মেখেলা কোচাই
বোকাৰ মাজত
জোকৰ ভয়ত ,
মৰমৰ কঠিয়াৰে
এগোছ দুগোছ কৰি
পথাৰখনো পাৰিব ভৰি ।

ভাদ আহিন মাহত
হালোৱা ককাই
ৰোৱনী বাই
লয় জিৰাই শতাই ।
কাতিও আহে লাহে লাহে কৰি
পথাৰৰ চাকিৰ
পোহৰ পায় ।

আইৰ তুলসী তলৰ চাকি
পথাৰতো থাকে জিলিকি
লখিমী আহিব
গাঁৱৰ ঘৰলৈ
গৃহস্থৰ আশা পূৰণ কৰি ।

লখিমী থাকে পথাৰৰ মাজত
লাগে আনিব আদৰি
সেয়ে কৰোঁ কাতিক বিদায় দি
আঘোণক আনো আদৰি

আঘোণৰ পথাৰেও বিচাৰে
দাৱনীৰ কাচিৰ সুৰ
জাক পাতি লোৱা সোৱাদ
ৰৱাব টেঙা টোৰ
আৰু আছে জ্বলা ভাত
সকলোৰে মিঠা মাত

কিমান যে আনন্দ
উপমা নাই দিবলৈ
বিচাৰি পাথোন এটি জীৱনৰ ছন্দ ।

যি জীৱনত আছে
সেতিয়কৰ কান্ধত থকা
দাওৰিৰ জিৰিকি জিৰিকি মাত
ধানভোৱা সেই সৰু চৰাইজাকৰ
মিঠা সুহুৰিৰ মাত
উলাহত কিৰিলি পৰা
দাৱনীৰ মাত
আৰু যে কি নাই তাত ?

সেতিয়কে বিদায় দি পথাৰৰ
সেউজী, সোণালী স্মৃতি
ঘৰলৈ উভতি আহে
লাভৰলৈ এক নতুন
সাজৰ তৃপ্তি ।

স্মৃতিবোৰ এৰি আহে
পথাৰৰ নিজান কোণত
থিয় হৈ পাৰি থকা
নৰাৰ মাজত .....
লৈ এক নতুন
সপোন ৰেঙণী
আশাৰ , হেপাহৰ সুমৰ .... ।

- লাকী গগৈ
ষষ্ঠ ষাণ্মাসিক

## কৌতুক

ছমহীয়া পৰীক্ষাত ভূগোলৰ প্ৰশ্ন আহিছে : পৃথিৱীত প্ৰথম কেতিয়া জীৱ সৃষ্টি হৈছিল ?
ছাত্ৰ এজনে লিখিলে : “ সেইকথা একমাত্ৰ ভগৱানেহে জানে।”
পৰীক্ষকে বহী চাই শূণ্য এটা দি মন্তব্য লিখিলে :
তেতিয়া হ'লে সম্পূৰ্ণ নম্বৰ ভগৱানকে দিলোঁ ।”

(সংগ্ৰহ)

# নিস্তব্ধতাৰ গান

খিৰিকীখন মেলি দিলেই বতাহজাক আহে ,
স্মৃতিৰ কোঠাত এতিয়াও পুৰণি সুবাস ভাহে ।
যিবোৰ কথা কোৱা নহ'ল কাকো কোনোদিন ,
সেইবোৰ কথাই বহীৰ পাতত আজি ৰঙীন ।

মই বিচাৰোঁ অলপ জিৰণি এমন অজান ঠাইত ,
য'ত হুলস্থূল নাই , মাথোঁ শান্তি আছে শেষত ।
বালিৰ ঘৰবোৰ সাগৰে ভাঙি নিলেও ক্ষতি নাই ,
মই পুনৰ সজাম সপোনবোৰ জোনাকৰ পোহৰ পাই।

বতাহজাকক সুধিছোঁ — মোৰ ঠিকনা জানানে তুমি ?
তেওঁ হাঁহি মাৰি ক'লে – বিচাৰি চোৱা নিজৰ
অন্তৰ্ভূমি ।
শব্দবোৰ আজি মোৰ বৰ আপোন হৈ পাৰিছে ,
কাৰণ মই নজনাকৈয়ে এটি নতুন কবিতা পাড়িছে।

- নৱনীতা গগৈ
দ্বিতীয় ষাণ্মাসিক

# মৰুভূমিত মুকুতাৰ অন্বেষণত

স্নিগ্ধ এপাহ গোলাপৰ
সোবাসৰ দৰে ,
মই নিজকে বিচাৰি পাওঁ
এখনি সুন্দৰ ফুলনিৰ
মাজত ...
য'ত ...
মই কেতিয়াবা
নিজকে হেৰুৱাইছোঁ
এজাক ...
পখিলাহী পখিলাৰ দৰে
পলকতে !
কিন্তু , কি হ'ব ...?
সেই স্নিগ্ধ ফুলপাহৰ
সুবাসৰ দৰে ...
মোৰ মনৰ
অব্যক্ত বাসনাবোৰ
জানো ... ?... ??
বিলীন হৈ যাব ... ?
সেই নীল সাগৰৰ গভীৰতাত
য'ত ...
মোৰ অতৃপ্ত
বিষাদৰ জ্বালা
লুপ্ত হৈ যাব ,
আৰু ...

মই নিজকে
এখন মন পাৰশা ,
প্ৰমোদ কাননত ...
বিচাৰি পাম !

য'ত ,
মোৰ সাঁচতীয়া
অন্তহীন কল্পনাই
উটি ভাঁহি ফুৰিব ...
হৃদয়ৰ কোঁহে কোঁহে
মাতৃস্নেহৰ
গভীৰতাৰ দৰে ॥

কাৰণ ...
মোৰ আশা আছে
সেই অতৃপ্ত বাসনাৰ
তৃপ্ত সোৱাদ ল'বলৈ

— অংকিতা শইকীয়া
দ্বিতীয় ষাণ্মাসিক

# শৰতৰ পূৰ্ণিমা

শৰতৰ নিশা ফুলা শেৱালী
মই যেন তাৰেই এপাহি
সৰি পৰোঁ পুৱাৰ দুৱৰিত,
সৰা ফুল বুটলি
কোনে বাৰু গাঁথিব
সৰসৰ মালাডাৰি
কাৰোবাৰ অভিশাপত
হেৰাই যাওঁ অকালত
বেদনাকে সাৱটি
পৃথিৱীৰ আচলৰ বুকুত ।

— অংকিতা শইকীয়া
দ্বিতীয় ষাণ্মাসিক

## মহৎ লোকৰ বাণী

- যি নিজক হেৰুৱাই তেওঁ সকলো হেৰুৱাই ।

— মহাত্মা গান্ধী